নং ঃ ৭৭/২০২১

# বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী খগেন্দ্ৰ প্ৰসাদ ডেকাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩১ মে' ঃ** বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী খগেন্দ্ৰ প্ৰসাদ ডেকাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশিষ্ট শিক্ষাবিদ গৰাকীয়ে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৰদান আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰয়াত ডেকাই গোৱালপাৰা মহাবিদ্যালয়, কৃষ্ণগুৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হিচাপেও বিদ্যায়তনিক দিশলৈ যথেষ্ট অৰদান আগবঢ়াই গৈছে। আনহাতে, ভাষা-সাহিত্যৰ বিকাশ সাধনৰ দিশতো তেখেতে যথেষ্ট অৰদান আগবঢ়াই গৈছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহ উত্তৰণৰ দিশতো প্ৰয়াত ডেকাই অৰিহণা যোগাই গৈছে। এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত খগেন্দ্ৰ প্ৰসাদ ডেকাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**৩১/০৫/২০২১**